# মুক্তক ছন্দ

[redacted] প্ৰাচীন ছন্দসজ্জাৰ নিৰ্দিষ্ট ৰূপকল্পৰপৰা ধ্বনিপ্ৰবাহৰ মুক্তি লাভ হোৱা ছন্দসজ্জাকে মুক্তক ছন্দ বোলে। বহুতৰে এটা ভুল ধাৰণা আছে যে এইবিধ ছন্দ ধ্বনিশিল্পৰ লগত সম্পৰ্কহীন এক শব্দসমষ্টি মাথোন। মুক্তিৰ অৰ্থ ছন্দৰ সকলোবোৰ ঐক্যসূত্ৰ বৰ্জন নহয়। প্ৰকৃততে, ছন্দৰ বন্ধন দুই প্ৰকাৰৰ। পৰ্বৰ বিন্যাস, যতিৰ সংস্থাপন প্ৰভৃতি কিছুমান বন্ধন ছন্দৰ মৰ্মবস্তু স্বৰূপ। এই মুখ্য বন্ধনৰপৰা মুক্তি লাভ কৰাটো কোনো ছন্দৰ পক্ষে সম্ভৱ নহয়। মুক্তক ছন্দৰ ক্ষেত্ৰতো এই প্ৰকাৰ বন্ধন সম্পূৰ্ণৰূপে আছে। ছন্দৰ আৰু একপ্ৰকাৰৰ গৌণ বন্ধন আছে যি বন্ধন ছন্দৰ বহিৰঙ্গ স্বৰূপ। শাৰীৰ দৈৰ্ঘ্য, চৰণৰ আয়তন, স্তবক অৱয়ব, মিত্ৰবৰ্ণ সংস্থাপন আদি ছন্দৰ বহিৰঙ্গ। মুক্তক ছন্দই এই গৌণ

বন্ধনসমূহ মানি চলা নাই। তাৰ ফলত, এইবিধ ছন্দত ধ্বনিৰ এক অপূৰ্ব স্পন্দন বৈচিত্ৰ্য আৰু নিৰ্বাধগতি পৰিলক্ষিত হয়।

অমিত্ৰাক্ষৰৰ দৰে মুক্তকো একপ্ৰকাৰ প্ৰবাহমান ছন্দ। ভাবপ্ৰবাহক আশ্ৰয় কৰি ধ্বনিপ্ৰবাহ এই ছন্দতো চৰণৰপৰা চৰণান্তৰলৈ প্ৰবাহিত হৈ আছে। এই ছন্দতো পূৰ্ণযতি সদায় পূৰ্ণচ্ছেদৰ অতিথিস্বৰূপ। কেৱল পাৰ্থক্য এইখিনিতে যে, অমিত্ৰাক্ষৰৰ বাহ্যিক গঠন এক নিৰ্দিষ্ট ছন্দসজ্জাৰ। সেয়েহে, প্ৰতিটো লিপিগত পংক্তিৰ দৈৰ্ঘ্য ১৪ মাত্ৰাৰ নিৰ্দিষ্ট ৰূপকল্পৰ। কিন্তু মুক্তক ছন্দৰ পংক্তিসমূহ সচৰাচৰ সমআয়তন বিশিষ্ট নহয়। কাৰণ, ইয়াৰ বাহ্যিক গঠনত কোনো নিৰ্দিষ্ট ছন্দসজ্জাৰ বন্ধন নাই। সহজ ভাষাত কৰলৈ হলে, অমিল অথবা সমিল অসমপংক্তিক ছন্দসজ্জাকে মুক্তক ছন্দ বুলি কব পাৰি। এইবিধ ছন্দসজ্জা যৌগিক আৰু মাত্ৰাবৃত্ত উভয় ৰীতিতে ৰচনা কৰিব পাৰি।

ওপৰত আলোচনাৰপৰা মুক্তক ছন্দৰ মূল লক্ষণকেইটা এনে ধৰণে প্ৰকাশ পাইছে। প্ৰথমতে, এই ছন্দত পংক্তিৰ আয়তন নিৰ্দিষ্ট নহয়। যিহেতু ভাব-প্ৰবাহৰ আয়তন অসমান, সেইবাবে ধ্বনিপ্ৰবাহৰ আয়তনো সমান নহয়। সমআয়তন বিশিষ্ট লিপিগত পংক্তিৰপৰা ধ্বনিৰ মুক্তি ইয়াৰ প্ৰধান বৈশিষ্ট্য। দ্বিতীয়তে, ইয়াৰ পৰ্বসমূহৰ গঠন কোনো নিৰ্দিষ্ট ৰূপকল্পৰ দ্বাৰা নিয়ন্ত্ৰিত নহয়। ভাবপ্ৰবাহে যি আয়তনৰ ধ্বনিগুচ্ছক অৱলম্বন কৰি স্বচ্ছন্দ ৰূপ পোৱাৰ সম্ভাৱনা, সেই আয়তনেই বিভিন্ন পৰ্বৰ উপাদান। বিভিন্ন ৰূপকল্পৰ মিশ্ৰণযুক্ত এই মুক্ত ধ্বনিপ্ৰবাহৰে নাম মুক্তক। এটি দৃষ্টান্ত তলত দিয়া হ'ল—

0 ।। । । ।।
কাৰ্ফুৰ সময় হ'ল /

0 । । । । । ।। । । ।। ।। 0 । । ।
সূৰ্যস্নাতা নগৰীৰ / আচলৰ / শেষ ৰশ্মিকণো /

।। ।। । ।। । । ।
শুহি ললে / ৰাতিৰ আকাশে /

00। ।।। ।। ।।। ।।। ।।। ।।।
নিস্তব্ধ মৰণ নামে / নগৰীৰ ধমনীত / কৰে। অনুভৱ /

। । । । । । ।। । । ।। । । ।।
কাজিৰঙা ডবকাৰ / আৱশ্যক অপস্মাৰ /

এইবিধ ছন্দসজ্জা সম্পূৰ্ণ আধুনিক যুগৰ সৃষ্টি। প্ৰথমতে আমেৰিকাৰ 'ইমেজিষ্ট' কবিসকলে এই নতুন ছন্দসজ্জাৰ জন্ম দিছিল। ই বৈচিত্ৰ্য ব্যাকুল কবিচিত্তক আলোড়িত কৰি তুলিছিল। ইমেজিষ্ট কবিসকলৰ ভিতৰত টি. এচ. ইলিয়ট, এজৰা পাউণ্ড আদিৰ নাম উল্লেখযোগ্য; অসমীয়া সাহিত্যলৈ এইবিধ কবিতাৰ আগমন যদিও 'জয়ন্তী' যুগতে হৈছিল তথাপি ইয়াৰ প্ৰচুৰ প্ৰচলন হয় আচলতে বৰ্তমান শতিকাৰ পঞ্চম দশক মানৰপৰাহে। চন্দ্ৰধৰ বৰুৱাৰ 'গীতাকাৰ' নামৰ কবিতাতে মুক্তক ছন্দৰ প্ৰথম আভাস পোৱা বুলি কব লাগিব। তাৰ পাছত 'জয়ন্তী'ৰ পাতত ওলোৱা শশীকান্ত গগৈৰ ৰচনাত ইয়াৰ পূৰ্ণবিকাশ দেখা যায়। পছোৱা, আৱাহন, ৰামধেনু আদি আলোচনীতে বিভিন্ন আধুনিক যুগৰ কবিৰ জন্ম হয় আৰু তেওঁলোকে প্ৰত্যেকেই অসমীয়া সাহিত্যত মুক্তক ছন্দৰ বিকাশত অৰিহণা যোগায়। তেনে কবিসকল হ'ল—শশীকান্ত গগৈ, মহেশ্বৰ নেওগ, চৈয়দ আব্দুল মালিক, ভবানন্দ ৰাজখোৱা, ভৱপ্ৰসাদ ৰাজখোৱা, হেম বৰুৱা, ভবানন্দ দত্ত, অমূল্য বৰুৱা, অজিত বৰুৱা, হোমেন বৰগোহাঞি, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য, মহেন্দ্ৰ বৰা, নৱকান্ত বৰুৱা, হৰি বৰকাকতি, মহিম বৰা আদি।